# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-03-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম বিধানসভাৰ ১৫ দিনীয়া বাজেট অধিবেশন আজিৰে পৰা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে। যোৱা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰ বিটিচি বিধায়িনী ভৱনত ৰাজ্যপালৰ ভাষণেৰে বাজেট অধিবেশন আৰম্ভ হয়। ইয়াৰ পাছত ১৯ ফেব্ৰুৱাৰীৰ পৰা অধিৱেশনৰ কাৰ্যসূচীসমূহ দিছপুৰৰ বিধানসভা ভৱনত অনুষ্ঠিত হয়। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বৰ্ষৰ বাজেট উত্থাপন কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে এইবাৰৰ বাজেট অধিৱেশনত অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, ৰাজ্যিক বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, অসম ক'চিং ইনষ্টিটিউট নিয়ন্ত্ৰণ আৰু নিয়মাৱলী বিধেয়ক আৰু তিনিখন নতুন বিশ্ববিদ্যালয় স্থাপন বিধেয়ককে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰা হয়। বিধানসভাৰ এইবাৰৰ অধিৱেশনত সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰা, বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ অশোভনীয় আচৰণ, বিধায়ক মনোৰঞ্জন তালুকদাৰৰ বিতৰ্কিত অডিঅ' বাৰ্তা, উপাধ্যক্ষ ডাঃ নোমল মমিনৰ গাত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই হাত দিয়াৰ অভিযোগ আদি কেইবাটাও বিতৰ্কিত ঘটনা চৰ্চালৈ আহে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত অনুষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সফল সামৰণি আৰু অসমলৈ দেশী-বিদেশী বিনিয়োগকাৰীৰ বিনিয়োগৰ প্ৰস্তাৱ সম্পৰ্কেও সদনত বিবৃতি দিয়ে। অসম বিধানসভাই এইবাৰৰ অধিৱেশনতে ভাৰতীয় ক্ৰিকেট দলৰ চেম্পিয়নছ ট্ৰফী লাভ আৰু অসম সন্তান দেৱজিত শইকীয়া বিচিচিআইৰ সচিবৰূপে নিৰ্বাচিত হোৱাকে ধৰি কেইবাটাও সফলতাৰ বাবে অভিনন্দনসূচক প্ৰস্তাৱ গ্ৰহণ কৰে। আজি সদনৰ অধিৱেশনৰ সামৰণিত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এইবাৰৰ অধিৱেশনৰ সফল সামৰণিৰ বাবে বিটিচি কৰ্তৃপক্ষ, অসম চৰকাৰ, মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰী পৰিষদৰ সদস্যসকল, চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু সংবাদ মাধ্যমৰ প্ৰতি কৃতজ্ঞতা জনায়।

০০০০০

ছিংগাপুৰ চৰকাৰৰ আমন্ত্ৰণমৰ্মে দেশখন ভ্ৰমণলৈ যোৱা কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দেশখনৰ জ্যেষ্ঠ মন্ত্ৰী ড° এমি খোড়ৰ সৈতে ছিংগাপুৰ সামুদ্ৰিক সপ্তাহৰ অংশ হিচাপে ভাৰত মণ্ডপ উদ্বোধন কৰে। এই মণ্ডপত ভাৰতৰ সামুদ্ৰিক উদ্ভাৱন আৰু শক্তি সম্ভাৱনা এই মণ্ডপ ভাৰত আৰু ছিংগাপুৰৰ ৬০ বছৰীয়া কূটনৈতিক সম্পৰ্কৰ উদযাপনৰ মঞ্চ হিচাপে পৰিগণিত হৈছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি এই অনুষ্ঠানত অংশ লোৱাৰ আগেয়ে ভাৰতীয় জাহাজ পৰিবহণ পঞ্জীয়কৰ মণ্ডপো মুকলি কৰে। দেশখনত সামুদ্ৰিক সুৰক্ষা পৰিৱেশ সংৰক্ষণ আৰু প্ৰযুক্তিগত উদ্ভাৱনৰ অগ্ৰগতি এই মণ্ডপত সুন্দৰকৈ প্ৰতিফলিত হৈছে। শ্ৰী সোণোৱালে আজি সামুদ্ৰিক সপ্তাহত অংশ লোৱাৰ লগতে নেডাৰলেণ্ডৰ উপ মন্ত্ৰী ব্ৰিডজিৎ গিছৰাৰ্ছৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ দ্বিপাক্ষিক বৈঠকত মিলিত হয়। এই বৈঠকত দুয়োগৰাকী নেতাই দুয়োদেশৰ জলপথ আৰু স্মাৰ্ট বন্দৰ উন্নয়ন, সেউজ জাহাজ পৰিবহণ আৰু

জাহাজ চলাচলৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে আজি ছিংগাপুৰৰ প্ৰমোদ তৰী কেন্দ্ৰটো পৰিদৰ্শন কৰে। ভাৰতত এনেধৰণৰ প্ৰমোদ তৰী পৰ্যটনৰ বিকাশৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ হাতীয়ে খোৱা চক্ৰধবজ সমন্বয় ক্ষেত্ৰত ঠেঙাল কছাৰী জনগোষ্ঠীৰ কেন্দ্ৰীয় অধিৱেশনৰ অংশ হিচাপে তৰাচিৰা বিহু অনুষ্ঠিত হৈছে। এই উপলক্ষে অধিৱেশনস্থলীত কমেও দুহেজাৰ নাচনীয়ে খোলাং বুঢ়ী নাচ পৰিৱেশন কৰিব। এই অধিৱেশনত জনগোষ্ঠীটোৰ পৰম্পৰাগত ৰীতি-নীতি, আৰ্থ-সামাজিক, ৰাজনৈতিক, শৈক্ষিক আৰু সাংস্কৃতিক বিষয়সমূহ প্ৰতিফলিত হ'ব।

মৰাণত যোৱা দেওবাৰৰ পৰা চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে পঞ্চদশ বাৰ্ষিক কেন্দ্ৰীয় তৰাচিঙা বিহু অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় তৰাচিঙা বিহু স্থায়ী সমিতি আৰু উষাপুৰ মহিলা সমাজৰ উদ্যোগত আয়োজিত এই অনুষ্ঠান উপলক্ষে পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণৰ পাছত তৰাগছ তুলিবলৈ সাংস্কৃতিক দলৰ দোলাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে থাপনাত তৰা গছ স্থাপন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে বাণিজ্য মেলা, জনগোষ্ঠীয় নৃত্য আৰু বিহু প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হয়। এই উপলক্ষে আয়োজিত মুকলি সভাত তৰাচিঙা শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। আজি যুৱ সমাৰোহ আৰু বিহুৱতী প্ৰতিযোগিতা আৰু কাইলৈ জাতীয় সাজ-পাৰ, বিহু হুঁচৰি, জেং বিহু আৰু মুকলি সভা অনুষ্ঠিত হ'ব।

০০০০০

লখিমপুৰ জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আজি জিলাখনৰ দিজু চাহ বাগিচাৰ গজধৰ কুৰ্মী মডেল স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বাল্য বিবাহ সন্দৰ্ভত এখন বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে বাল্য বিবাহৰ কাৰণ, সমাজত ইয়াৰ প্ৰভাৱ, বাল্য বিবাহ প্ৰতিৰোধ আইনৰ অধীনত শাস্তিমূলক ব্যৱস্থা আদি সম্পৰ্কত নিজৰ বক্তব্য আগবঢ়ায়। এনেধৰণৰ প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যুক্তিসহকাৰে কথা কোৱাৰ দক্ষতা বৃদ্ধিৰ উপৰি বাল্য বিবাহৰ দৰে সামাজিক ব্যাধিসমূহ দূৰ কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰিব বুলি শিশু সুৰক্ষা বিষয়াই প্ৰকাশ কৰে।

০০০০০

নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত অহা ২৭ মাৰ্চত বিভিন্ন কাৰ্যসূচীৰে নগাঁও জিলা দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে মুকলি কুইজ, চিত্ৰাংকন, ৰচনা, আলোকচিত্ৰ প্ৰতিযোগিতাকে ধৰি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নগাঁও জিলা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰি সকলোকে এই কাৰ্যসূচীসমূহত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০

সমাপ্ত